# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত আবুধাবিৰ ৰাজকুমাৰ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ আল নাহিয়ানৰ সৈতে আলোচনাত মিলিত হ'ব।

২। বিদেশ পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি ৰিয়াধত প্ৰথম ভাৰত-গালফ সহযোগিতা পৰিষদৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব।

৩। সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে আজিৰে পৰা উত্তৰ প্ৰদেশৰ আগ্ৰাত চিন্তন শিৱিৰ শীৰ্ষক দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যালোচনা সন্মিলনৰ আয়োজন কৰিছে।

৪। বস্তু আৰু সেৱা কৰ পৰিষদৰ ৫৪ সংখ্যক বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

*আৰু*

৫। পেৰিছত অনুষ্ঠিত ২০২৪ বৰ্ষৰ পেৰালিম্পিৰ যোৱানিশা বৰ্ণাঢ্য কাৰ্যসূচীৰে সামৰণি পৰে। ভাৰতে ৭টা সোণ, ৯টা ৰূপ আৰু ১৩টা বঞ্জৰ সৈতে মুঠ ২৯টা পদক লাভ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত আবুধাবিৰ ৰাজকুমাৰ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ আল নাহিয়ানৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই ভাৰত আৰু সংযুক্ত আৰৱ আমিৰীৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ ব্যাপক ক্ষেত্ৰসমূহৰ সন্দৰ্ভত আলোচনা কৰাৰ সম্ভাৱনা আছে।

আবুধাবিৰ ৰাজকুমাৰগৰাকী কালি তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। এই ভ্ৰমণত সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ কেইবাগৰাকীও মন্ত্ৰী তথা ব্যৱসায়িক প্ৰতিনিধিয়ে তেওঁক সংগ দিছে। তেওঁ কাইলৈ মুম্বাইত এখন বাণিজ্যিক সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত দুয়োখন দেশৰ বাণিজ্যিক কৰ্ণধাৰসকলে অংশগ্ৰহণ কৰিব। বিগত কেইবছৰমানত ভাৰত আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ ব্যাপক কৌশলগত মিত্ৰতা, ৰাজনৈতিক, বাণিজ্য, বিনিয়োগ, শক্তি, প্ৰযুক্তি, শিক্ষা আৰু সংস্কৃতিকে ধৰি ব্যাপক পৰিসৰ সম্পৰ্ক গভীৰ হৈ পৰিছে। ৰাজকুমাৰগৰাকীৰ এই ভ্ৰমণে দুয়োখন দেশৰ সুদৃঢ় সম্পৰ্ক অধিক কৰি তোলাৰ লগতে বিভিন্ন নতুন ক্ষেত্ৰত মিত্ৰতাৰ সুযোগ মুকলি কৰিব।

ooooo

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি ৰিয়াধত প্ৰথম ভাৰত-গালফ সহযোগিতা পৰিষদৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব। ড° জয়শংকৰ দ্বিদেশীয় ভ্ৰমণৰ প্ৰথম পৰ্যায়ত কালি ছৌদি আৰৱৰ ৰাজধানী

ৰিয়াধত উপস্থিত হয়। এই বৈঠকৰ উদ্দেশ্য হৈছে- ভাৰত আৰু গালফ ৰাষ্ট্ৰসমূহৰ মাজত সম্পৰ্ক শক্তিশালী কৰা। ভাৰত-গালফ সহযোগিতা পৰিষদৰ উদ্বোধনী বৈঠকত বাণিজ্য, বিনিয়োগ আৰু শক্তিখণ্ডকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হ'ব।

ড° জয়শংকৰে এই ভ্ৰমণ কালত ভাৰত-গালফ সহযোগিতা পৰিষদৰ সদস্য ৰাষ্ট্ৰসমূহৰ বিদেশমন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। কালি তেওঁ ভাৰত আৰু ছৌদিৰ মাজত ঐতিহাসিক সম্পৰ্কত গুৰুত্ব আৰোপ কৰি ৰিয়াধৰ মুখ্য সাংস্কৃতিক স্থানসমূহ পৰিদৰ্শন কৰে।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত তেওঁ কাইলৈ জাৰ্মানীৰ ৰাজধানী বাৰ্লিনত উপস্থিত হ'ব।

00000

ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে আজিৰে পৰা উত্তৰ প্ৰদেশৰ আগ্ৰাত চিন্তন শিৰিৰ শীৰ্ষক দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যালোচনা সন্মিলনৰ আয়োজন কৰিছে। এই সন্মিলনত দেশৰ প্ৰান্তীয় সম্প্ৰদায়সমূহৰ উন্নয়নৰ লক্ষ্যৰে বিভিন্ন আঁচনি তথা নীতি ৰূপায়ণ সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সামাজিক ন্যায় আৰু সমাজ কল্যাণ বিভাগসমূহৰ লগতে শীৰ্ষ বিষয়া আৰু অন্যান্য মুখ্য অংশীদাৰীসকলৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী ড° বীৰেন্দ্ৰ কুমাৰে চিন্তন শিৰিৰৰ অধ্যক্ষতা কৰিব। অনুষ্ঠানত বিভাগটোৰ ৰাজ্য মন্ত্ৰী ক্ৰমে বি এল ৱাৰ্মা আৰু ৰামদাস আথাৱালেৰ লগতে অন্যান্য বিষয়াসকল উপস্থিত থাকিব। এই সন্মিলনৰ উদ্দেশ্যে হৈছে মূলতঃ ৰাজ্যিক পৰ্যায়ত সামাজিক ন্যায় সম্পৰ্কীয় আঁচনিসমূহৰ ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা কৰা।

00000

চলিত সপ্তম ৰাষ্ট্ৰীয় পোষন মাহৰ অংশ হিচাপে দেশত বৰ্তমানলৈকে প্ৰায় ১ কোটি ৭৯ লাখ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰ্যালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি এই কাৰ্যসূচীৰ অধীনত ২০ লাখৰো অধিক পৰিপূৰক আহাৰ সম্পৰ্কীয় কাৰ্যসূচী ৰূপায়ণৰ তথ্য লাভ কৰা হৈছে। মন্ত্ৰ্যালয়ে লগতে প্ৰকাশ কৰিছে যে, দেশৰ বিভিন্ন ৰাজ্যৰ ৭৫৬ খন জিলাত সক্ৰিয়ভাৱে সজাগতামূলক অভিযান চলোৱাৰ লগতে জনসাধাৰণক পৰিপুষ্টি সন্দৰ্ভত অৱগত কৰোৱা হৈছে। উল্লেখযোগ্য যে, যোৱা ১ ছেপ্তেম্বৰত আৰম্ভ হোৱা এই পোষন মাহৰ ৩০ ছেপ্তেম্বৰত অন্ত পৰিব। গুজৰাটৰ পৰা এই এমহীয়া অভিয়ান আৰম্ভ কৰা হৈছিল। এই অভিযানৰ জৰিয়তে সমগ্ৰ দেশতে এনিমীয়া, সন্তুলিক বিকাশ, পৰিপূৰক আহাৰ আদিকে ধৰি **পোষন ভি পঢ়াই ভি** কাৰ্যসূচীৰ লগতে উন্নত প্ৰশাসনৰ বাবে প্ৰযুক্তি আদি বিষয়ত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি এই অভিযানৰ জৰিয়তে **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অধীনত পৰিৱেশ সংৰক্ষণৰ বিষয়টো গুৰুত্ব আৰোপ কৰা হৈছে।

00000

বস্তু আৰু সেৱা কৰ পৰিষদৰ ৫৪ সংখ্যক বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই বৈঠকত অধ্যক্ষতা কৰিব। চলিত বৰ্ষৰ জুন মাহত অনুষ্ঠিত এই পৰিষদৰ পূৰ্বৰ বৈঠকত ষ্টীল, লো আৰু এলুমিনিয়ামৰ সকলো গাখীৰৰ কেনত ১২ শতাংশ জি এছ টি ধাৰ্য কৰা হৈছিল। বৈঠকত ভাৰতীয় ৰে'লৱেই প্ৰদান কৰা বিভিন্ন সেৱাসমূহত জি এছ টি আৰোপ নকৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছিল। এই সেৱাসমূহৰ ভিতৰত প্লেটফৰ্ম টিকট বিক্ৰী, ৰিটায়াৰিং ৰুম, জিৰণি চ'ৰা আৰু বেটাৰী চালিত বাহনৰ সেৱা আদি আছে।

00000

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জম্মু-কাশ্মীৰত ৰাজনৈতিক দলসমূহৰ  নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। এই মাহৰ ১৮ আৰু ২৫ তাৰিখৰ ওপৰি  ১ অক্টোবৰত ৰাজ্যখনত তিনিটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

প্ৰতিৰক্ষা মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙে কালি ৰামবন জিলাৰ এখন নিৰ্বাচনী সভাত  অংশগ্ৰহণ কৰি কংগ্ৰেছ দলে ৩৭০ অনুচ্ছেদ পুনৰ ঘূৰাই অনাৰ বাবে জনোৱা দাবীক কঠোৰ সমালোচনা কৰে। তেওঁ কয় যে বিজেপি ক্ষমতাত থকালৈকে 370 অনুচ্ছেদ কোনো কাৰণতে পুনৰ প্ৰৱৰ্তন কৰা নহ'ব। তেওঁ লগতে কয় যে জম্মু কাশ্মীৰত এতিয়া সন্ত্ৰাসবাদৰ বিপৰীতে  পৰ্যটন আৰু উন্নয়নৰ বতাহ ববলৈ আৰম্ভ কৰিছে। আনহাতে শ্ৰীনগৰত নেশ্যনেল কনফাৰেঞ্চৰ সভাপতি ফাৰুক আব্দুল্লাই সাংবাদিকৰ আগত কয় যে, নেশ্যনেল কনফাৰেঞ্চ আৰু কংগ্ৰেছ ক্ষমতালৈ আহিলে জম্মু কাশ্মীৰত পুনৰ সন্ত্ৰাসবাদৰ উত্থান হ'ব বুলি অপপ্ৰচাৰ চলাই বিজেপিয়ে মানুহক বিপথে পৰিচালিত কৰি আহিছে।

অনন্তনাগ জিলাত সংবাদ মাধ্যমক সম্বোধন কৰি পিপলছ ডেম'ক্ৰেটিক পাৰ্টি- পিডিপিৰ  মূৰব্বী মেহবুবা মুফতিয়ে কয় যে পিডিপি নাথকা হ'লে নেশ্যনেল কনফাৰেঞ্চে জম্মু কাশ্মীৰত একনায়কত্ববাদ চলালেহেতেন। তেওঁ লগতে কয় যে  নেশ্যনেল কনফাৰেঞ্চৰ বিৰুদ্ধে জম্মু-কাশ্মীৰৰ জনতা যথেষ্ট অসন্তুষ্ট হৈ আছে।

ইফালে জম্মু কাশ্মীৰ বিজেপিয়ে কালি নিৰ্বাচন আয়োগক প্ৰাক্তন মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ মনোনয়ন বাতিল কৰাৰ দাবী উত্থাপন কৰে। নেশ্যনেল কনফাৰেঞ্চক সমৰ্থন নকৰা লোকক ওমৰ আব্দুল্লাই হত্যাৰ ভাবুকি দিয়াৰ অভিযোগ উত্থাপন কৰি তেওঁৰ মনোনয়ন বাতিলৰ দাবী জনায়।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

00000000

গোষ্ঠী সংঘৰ্ষৰ বাবে আইন-শৃংখলা পৰিস্থিতি অত্যধিক অৱনতি ঘটাৰ পৰিপ্ৰেক্ষিতত মণিপুৰ চৰকাৰে ৰাজ্যখনৰ সকলো বিদ্যালয়-মহাবিদ্যালয় দুদিনৰ বাবে বন্ধৰ ঘোষণা কৰিছে। ৰাজ্যখনত কালি পুনৰ

সংঘটিত বোমা বিস্ফোৰণত এজন সাধাৰণ নাগৰিকৰ মৃত্যু হোৱাৰ পিছত চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

ইফালে মুখ্যমন্ত্ৰী এন বীৰেন সিঙে তেওঁৰ দলৰ বিধায়কসকলৰ সৈতে  ৰাজভৱনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক কালি সাক্ষাৎ কৰে। সাক্ষাৎ কালত তেওঁলোকে ৰাজ্য খনত আইন শৃংখলা পৰিস্থিতি উন্নত কৰাৰ বাবে আঠ দফীয়া প্ৰস্তাৱ দাখিল কৰে।

০০০০০০০০

পেৰিছত অনুষ্ঠিত হৈ থকা পেৰালিম্পিক প্ৰতিযোগিতা  কালিনিশা বৰ্ণিল কাৰ্যসূচীৰে সামৰণি পৰে। বিশ্বৰ ১৬৮টা পেৰালিম্পিক প্ৰতিনিধি দলৰ ৪হাজাৰ ৪০০ খেলুৱৈৰ উপস্থিতিত  দেশখনৰ লোক সংস্কৃতি আৰু সংগীতৰ পৰিবেশনেৰে সামৰণি অনুষ্ঠান অধিক মননশীল কৰি তোলে।

পেৰিছৰ মেয়ৰ এন্নে হিডালগোৱে পেৰালিম্পিকৰ পতাকা আন্তঃৰাষ্ট্ৰীয় পেৰালিম্পিক সমিতিৰ সভাপতি এণ্ড্ৰিউ পাৰ্ছনছৰ হাতত তুলি দিয়ে আৰু এণ্ড্ৰিউ পাৰ্ছনছে এই পতাকা লছ এঞ্জেলছৰ মেয়ৰ কেৰেন বাছক প্ৰদান কৰে। উল্লেখযোগ্য যে ২০২৮ চনৰ পৰৱৰ্তী পেৰালিম্পিক লছ এঞ্জেলছত অনুষ্ঠিত হ'ব।

ভাৰতে  এইবাৰ পেৰালিম্পিকত ৭টা সোণ, ৯টা ৰূপ আৰু ১৩টা ব্ৰঞ্জকে ধৰি মুঠ ২৯টা পদক লাভ কৰে।

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে পেৰিছ পেৰালিম্পিকত ভাৰতীয় দলৰ প্ৰদৰ্শনক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে।  সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে পেৰিছ পেৰালিম্পিকত লাভ কৰা ২৯টা পদক হৈছে ভাৰতে এতিয়ালৈকে পূৰ্বৰ ১৩খন আন খেলত লাভ কৰা ৬০টা পদকৰ প্ৰায় আধা। ৰাষ্ট্ৰপতি মুৰ্মুৱে লগতে কয়, ২০১৬ চনলৈকে ১১খন পেৰালিম্পিকত ভাৰতে ১২টা পদক লাভ কৰিছিল।

ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়,  এই পদকৰ জৰিয়তে খেলুৱৈ সকলে ভাৰতক এক বিশেষ মৰ্যাদা প্ৰদান কৰিলে। তেওঁ পেৰালিম্পিকৰ খেলুৱৈৰ দলটোৰ সৈতে জড়িত সকলো লোককে অভিনন্দন জ্ঞাপন কৰে।

০০০০০০০০

**সমাপ্ত**